# আতলাচ

পৰিচয়

আতলাচ হৈছে এবিধ চিৰসেউজ গুল্মজাতীয় উদ্ভিদ। এই গছৰ উচ্চতা প্ৰায় ৭ মিটাৰলৈকে হ'ব পাৰে আৰু সাগৰপৃষ্ঠৰ পৰা ৯০০ মিটাৰ উচ্চতা পৰ্যন্ত ঠাইতো দেখা যায়।

উৎপত্তিস্থল আৰু বিতৰণ

ধাৰণা মতে আতলাচৰ উৎপত্তিস্থল বা জন্মস্থান হৈছে ভাৰতবৰ্ষ। এই ফল সাধাৰণতে পাহাৰীয়া ঠাইৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো ঠাইত কম বেছি পৰিমাণে দেখা যায়। মহাৰাষ্ট্ৰত এই গছ খৰি হিচাপে ব্যৱহাৰ কৰা হয়। পৃথিৱীৰ গ্ৰীষ্মমণ্ডল আৰু নাতিশীতোষ্ণ অঞ্চলবিলাকত এই গছ দেখিবলৈ পোৱা যায়।

আঞ্চলিক নাম

| | | |
|---|---|---|
| অসমীয়া | আতলাচ | atlas |
| বেঙ্গলী | আটা | aata |
| ইংৰাজী | কাষ্টাৰড এপ্‌ল | custard apple |
| হিন্দী | সৰিফা | sarifa |
| কন্নড় | সিতা ফল | sitaphal |
| মালায়লম | আতিচাক্কা | atichakka |
| মাৰাঠী | সিতাফল | sitaphal |
| উৰিয়া | সিতাফল | sitaphal |
| পঞ্জাৱী | সাৰিফা | sarifa |
| সংস্কৃত | সিতাফল | sitaphal |
| তামিল | অত্তা | atta |
| তেলেগু | সিতাফলমু | sitaphalamu |



## কৃষি পদ্ধতি

- জলবায়ু : গৰম আৰু শুকান জলবায়ু এই গছৰ বাবে দৰকাৰী বিশেষকৈ ফুল মেলাৰ সময়ত। এই গছৰ ফুল ফুলাৰ বাবে আটাইতকৈ উপযুক্ত বতৰ হ'ল উচ্চ আদ্ৰতা আৰু বৰষুণবিহীন বতৰ। এই গছৰ শীত সহ্যৰ ক্ষমতা কম। ৫০-৭৫ ছে:মি: বৰষুণ ইয়াৰ বাবে উপযুক্ত। ই ৪০ ডিগ্ৰী ছেলছিয়াচ লৈকে গৰম আৰু প্ৰয়োজনীয় পৰিমাণৰ বৰষুণে ভাল উৎপাদন দিয়ে।

- মাটি : যিকোনো ধৰণৰ মাটিত এই উদ্ভিদ হ'ব পাৰে। বালিচহীয়া মাটি এই গছৰ বাবে উপযোগী। এই গছ পানী জমা হৈ নথকা দোমোচা মাটিতও খুব ভাল হয়। চূণ আৰু ক্লৰিণ থকা মাটি এই গছৰ বাবে ভাল কিন্তু ক্ষাৰ থকা মাটিত এই গছ জীয়াই থাকিবলৈ কষ্ট পায়। পানী জমা হৈ থকা মাটিত এই গছ জীয়াই থাকিব নোৱাৰে।

- বীজ ৰোপণ : এই ফলৰ গুটি গজিবলৈ ৭ ৰ পৰা ৩৫ দিন সময় লাগিব পাৰে। কিতু ৩ দিন মান পানীত তিয়াই থৈ বীজ ৰূপণ কৰিলে অংকুৰণৰ সময় কম লাগে। হাতেৰে গুটিৰ ডাঠ বাকলি আঁতৰাই ললেও সোনকালে অংকুৰিত হয়। কিন্তু মনত ৰাখিব এনেদৰে বাকলি গুচাই ললে সাতদিনৰ ভিতৰত গুটি সিঁচিব লাগে। অংকুৰণৰ ভাল ফলাফল পাবলৈ গুটি সাঁচি থোৱাৰ সাতদিনৰ পিচত সিঁচিব লাগে।

- সাৰ : প্ৰতি বছৰে প্ৰতি গছত ৫০-৭৫ কেজি জৈৱিক সাৰ প্ৰয়োগ কৰিলে ফলৰ আকাৰ ভাল হয় আৰু ফল খাবলৈ সোৱাদযুক্ত হয়। ধানৰ তুঁহ, ফুটছাঁই, খলিহৈ, গৰু-ছাগলীৰ আদিৰ ম'ল, জীৱ জন্তুৰ হাড়ৰ গুড়ি আৰু পচন সাৰ আদি গছৰ বাবে প্ৰয়োগ কৰিব পাৰি, কিন্তু সাৰখিনি প্ৰয়োগ কৰোঁতে গছৰ গুৰিৰ পৰা আঁতৰায় প্ৰয়োগ কৰিব লাগে।



নিয়মিতভাৱে সেউজ সাৰ যেনেকৈ মেদেলুৱা, মাহ জাতীয় উদ্ভিদ আদিয়ে গছৰ শ্ৰীবৃদ্ধি বঢ়ায়। এই সেউজ সাৰৰ গছবিলাকত যেতিয়া ফুল ফুলে তেতিয়া হাল বায় মাটিত মিহলায় দিব লাগে। এনে কৰিলে মাটি সাৰুৱা হয় আৰু পানী ধৰি ৰখাৰ ক্ষমতা বৃদ্ধি পায়।

- জলসিঞ্চন : এই গছৰ বাবে সাধাৰণতে জলসিঞ্চনৰ প্ৰয়োজন নহয়। ফল পকিবলৈ লোৱাৰ সময়ত এবাৰ বা দুবাৰ জলসিঞ্চন কৰিলে ফলৰ আকাৰ আৰু সোৱাদ বৃদ্ধি হয়।

- শস্যাবৰ্তন : তৰা, বাদাম, এৰা, তিল আদিৰ শস্যৰ লগত আতলাচৰ খেতি কৰা হয়। কেৰেলাত নাৰিকলৰ লগত আতলাচৰ খেতি কৰা হয়। অসমত তামোল, কল আদিৰ লগত এই খেতি কৰিব পাৰি।

- কলম : পাতলকৈ কলম কৰি গছৰ ফল নলগা ডালবোৰ আঁতৰায় দিব লাগে, সেই অংশত নতুনকৈ পোখা মেলিব পাৰে। এই গছৰ গুৰি কলম কেতিয়াও দিব নালাগে কাৰণ তেনে কৰিলে পোখা নেমেলে আৰু গছও মৰি যায়। ফুল ফুলি থকা গছত খুব কম পৰিমাণে কলম কৰিব লাগে। কলম নকৰিলে গছৰ উৎপাদন ক্ষমতা কমি যায়।

- শষ্য চপোৱা : মাৰ্চ মাহৰ পৰা জুলাই মাহ লৈকে গছত ফুল ফুলে। এজোপা মধ্যম আকাৰৰ গছত প্ৰায় ১০০০-১৫০০ ফুল ফুলে আৰু তাৰে ২ শতাংশ সম্পূৰ্ণৰূপে পুৰঠ হ'বলৈ আগষ্টৰ পৰা জানুৱাৰী লৈকে চাৰিমাহ সময় লাগে। ফলৰ বৰণ যেতিয়া পাতল হালধীয়া হৈ ফাটিবলৈ ধৰে তেতিয়াই ফল চিঙিব লাগে।

- উৎপাদন : সাধাৰণ মাটিত ৫০ টাৰ পৰা ১০০ টা আৰু ভাল সাৰুৱা মাটি হ'লে এজোপা গছত প্ৰায় ৫০০ টা ফল লাগে।

## পোক নিয়ন্ত্ৰণত আতলাচ

আতলাচৰ গুটিত কীটনাশক গুণ থাকে। আতলাচৰ গুটিৰ গুৰি কীটনাশক হিচাবে ব্যৱহাৰ হয়। তথ্যমতে আতলাচৰ গুটি, মাখি, মোৱাপোক আৰু কিছুমান পোকৰ বাবে বিষাক্ত। এই গুটিৰ পৰা বনোৱা আৰক মাখিৰ বাবে বিষাক্ত। এই আৰক কীটনাশক হিচাপে ব্যৱহাৰ কৰিব পাৰি। বিভিন্ন ধৰণৰ ক্ষাৰ যেনেকৈ এননিন (annonine), মিউ নিচিন (municine), আৰটাবট্ৰাইন (artabotrine) আদি আতলাচৰ গুটিত বৰ্তমান থকা বুলি প্ৰমাণ পোৱা গৈছে। আতলাচৰ গুটিৰ আৰক ব্যৱহাৰ কৰি মোৱাপোক, ব্ৰাউন লিফ হপাৰ, গ্ৰীণ লিফ হপাৰ আৰু কটন ষ্টেইনাৰ আদি নিৰ্মূল কৰিব পাৰি।

আকৰ প্ৰস্তুতিকৰণ :

- আতলাচ পাতৰ আৰক : আধাকেজি পাত ১ বা ২ লিটাৰ পানীত সিজাৱ লাগে, এনেকৈ সিজাব লাগে যাতে পানীখিনি শুকাই চাৰিভাগৰ এভাগ হয়। এই দৰে সিজোৱা পানী ১০-১৫ লিটাৰ পানীত মিহলাই গছত স্প্ৰে কৰিব পাৰে। এক একৰমান মাটিত ২-৩ কেজি পাতৰ প্ৰয়োজন হ'ব।

- আতলাচ, নিম আৰু জলকীয়াৰ আৰক : ২ কেজি আতলাচৰ পাত ভালদৰে পিহি লওক আৰু ১/২ লিটাৰ পানীৰ লগত মিহলাই লওক। চাকি লৈ পানীখিনি এফালে থৈ দিয়ক। ১/২ কেজি শুকান জলকীয়া গোটেই ৰাতি তিয়াই থৈ দিয়ক। পিছদিনা পিহি লৈ পানীৰ লগত মিহলাওক আৰু চাকি লওক। ১ কিলোগ্ৰাম থেতেলি লোৱা নিমৰ গুটি ২ লিটাৰ পানীত গোটেই ৰাতিৰ বাবে তিয়াই থৈ দিয়ক। পানীখিনি চাকি লওক, এতিয়া তিনিওবিধ চাকি লোৱা পানী একেলগে মিহলাই লওক। এই মিশ্ৰণক আকৌ ৫০ বা ৬০ লিটাৰ পানীত মিহলাই আকৌ এবাৰ চাকি গছত স্প্ৰে কৰিব পাৰে।

চাবোনৰ দ্ৰৱ তৈয়াৰিকৰণ : আপুনি বনোৱা আৰক স্প্ৰে কৰাৰ আগত খাদী চাবোনৰ দ্ৰৱ অকণমান মিহলাই ল'ব পাৰে। খাদী চাবোন হৈছে নিমৰ পৰা বনোৱা আৰু কোনো ৰাসায়নিক পদাৰ্থ নথকা চাবোন। এই চাবোন গোটেই ৰাতি তিয়াই থৈ পাছদিনা ব্যৱহাৰ কৰিব লাগে। এই চাবোনৰ দ্ৰৱ সাধাৰণতে আঠাযুক্ত আৰু ডাঠ হয়। প্ৰতি লিটাৰৰ বাবে ১০ মি:লি: চাবোনৰ দ্ৰৱ মিহলাব লাগে।

শস্যৰ ভঁৰালত লগা পোকৰ বাবে আতলাচ : শস্যৰ ভঁৰালত সদায়ে কিছুমান পোক লাগে। এই পোকবিলাক নিয়ন্ত্ৰণ কৰিবলৈ আতলাচ অতি কাৰ্যকৰী। ডাইলত লগা এবিধ পোকে (callosobruchus chinensis) জমা কৰি থোৱা মাহ জাতীয় শস্য যেনেকৈ ছয়াবিন, ৰহৰ ডাইল, বুটমাহ আদিক আক্ৰমণ কৰে। এই পোকে শস্যৰ দানাৰ মাজত ফুটা কৰি সোমাই যায় আৰু ভিতৰৰ সাহখিনি খাই ফোপোলা কৰি পেলায়। ১ কেজি শস্যৰ বাবে ৫০ গ্ৰাম আতলাচ গুটিৰ পাউদাৰ দৰকাৰ হয়।

## আতলাচ আৰু মানুহৰ স্বাস্থ্য

- আতলাচ খালে কৃমি মৰি যায় আৰু পেট ঠাণ্ডা থাকে।
- আতলাচ গছৰ বাকলি পানীত সিজায় লৈ মহিলাৰ মূত্ৰনলীৰ সংক্ৰামক ৰোগত ব্যৱহাৰ কৰিব পাৰি।
- সদায় পাত চোবাই খাল দাঁত আৰু মুখৰ বেমাৰৰ পৰা ৰক্ষা পোৱা যায় আৰু তেজ বৃদ্ধি কৰে, আৰু মাংসপেশীৰ শক্তি বৃদ্ধি কৰে।

## জীৱ জন্তুৰ বাবে আতলাচ

জীৱ জন্তুৰ গাৰ বা ছালৰ পোক আঁতৰাবলৈ আতলাচ গছৰ পাত, ফল আৰু বাকলি ব্যৱহাৰ কৰিব পৰা যায়। জীৱ জন্তুৰ ছালত হোৱা ওকনি আঁতৰাবৰ বাবে আতলাচ গছৰ পাত আৰু বাকলিৰে এবিধ কাথ বনোৱা হয়।

- আতলাচৰ গুটি গুৰি কৰি তেলত সিজাব লাগে। এই তেল পৰাশ্ৰয়ী/ পৰজীৱি পোক যেনেকৈ চিকৰা, ওকনি, পোক পলু আদিক নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- কুকুৰাৰ গড়ালত হোৱা পোক নিয়ন্ত্ৰণ কৰিবলৈ বাহক পাতৰ ধোঁৱা দিব লাগে।
- আতলাচৰ পাতৰ ৰস উলিয়াই জীৱ জন্তুৰ গাত ঘা লগা ঠাইত ব্যৱহাৰ কৰিব পাৰি। এই পাতৰ ৰসে ঘা হোৱা ঠাইত উৎপত্তি হোৱা পোক নিয়ন্ত্ৰণ কৰে।

## অন্যান্য ব্যৱহাৰ

আতলাচ গছৰ কাথ উঁয়ে  নাখায় বাবে এই কাঠ ঘৰৰ খুটা হিচাপে ব্যবহাৰ কৰিবলৈ ভাল।

এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

**ফাৰটাইল গ্ৰাউণ্ড:** আৰু **আদৰ্শ সেউজ প্ৰকল্প**

ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

মুলিয়াবাৰী, ডিগবৈ
03751 269880
fertilegroundpompy@yahoo.co.in

ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে

তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু আদৰ্শ সেউজ প্ৰকল্পৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল
কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা
ওৰ্ৱল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা
**"শব্দলিপি" চফটৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপিনাথ বৰদলৈ পথ, গুৱাহাটী, অসম**
মূল অনুবাদ চি. আই. কে. এচ (চেন্নাই) চি. আই. কে. এচ অব ৱেবচাইট হৈছে www.ciks.org

This information and other resource materials in Assamese and English language are available online at
**www.fertile-ground.org**

অধিক জানিবৰ বাবে আমাৰ ওৱেবচাইট চাওক: www.fertile-ground.org